**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

অসম আৰক্ষীৰ ২০২ টা উপ-পৰিদৰ্শক পদ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ এটা সহকাৰী উপ-নিয়ন্ত্ৰক পদৰ বাবে অহা ৫ জানুৱাৰীত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডে আজি এই কথা ঘোষণা কৰিছে। এই অনুসৰি লিখিত পৰীক্ষাৰ বাবে প্ৰাৰ্থীসকলে ২৩ ডিচেম্বৰৰ পুৱা ১১ বজাৰ পৰা www.slprbassam.in ৱেবছাইট যোগে এডমিট কাৰ্ড ডাউনলোড কৰিব পাৰিব। লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'বলগা প্ৰাৰ্থীসকলে এডমিট কাৰ্ডৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, চালকৰ অনুজ্ঞাপত্ৰ, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন চৰকাৰী ফটোযুক্ত পৰিচয়পত্ৰ পৰীক্ষা কেন্দ্ৰত দেখুৱাব লাগিব। এডমিট কাৰ্ডত উল্লেখ থকা পৰীক্ষা কেন্দ্ৰত প্ৰাৰ্থীসকল লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই সন্দৰ্ভত কিবা জানিবলগা থাকিলে প্ৰাৰ্থীসকলে পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজাৰ ভিতৰত ৯৬৬৭০-৬২০৬৩ শুল্কবিহীন নম্বৰত যোগাযোগ কৰিব পাৰিব।

০০০০

অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নেতৃত্বত আজি এটা সৰ্বদলীয় বিধায়কৰ দলে চিৰাং জিলা ভ্ৰমণ কৰে। দলটোৱে জিলাৰ বিশমুৰীৰ পৰা সৰলপাৰা পথ পৰিদৰ্শন কৰাৰ লগতে জিলাৰ স্যামথাইবাৰীৰ পৰা ভূটানৰ গেলেফুলৈ যোৱা পথটো পৰিদৰ্শন কৰে। ইয়াৰ পাছত তেওঁলোকে ঢালিগাঁৱত থকা বঙাইগাঁও শোধনাগাৰৰ অতিতিশালাত এখন পৰ্যালোচনা সভাত মিলিত হয়। এই সভাত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণ, ৰাজ্যিক লোক নিৰ্মাণ বিভাগৰ বিষয়াসকলৰ লগতে ঠিকাদাৰসকলৰ সৈতে তেওঁলোকে মত বিনিময় কৰে। তেওঁলোকে লগতে জিলাখনত ৰূপায়িত কেন্দ্ৰীয় আঁচনিসমূহৰ সন্দৰ্ভত জিলাৰ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতেও বৈঠকত মিলিত হয়। ভ্ৰমণৰ অংশ হিচাপে দলটোৱে ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ছাপাগুৰিৰ পৰা ভূটান সীমান্তৰ মালীভিটালৈ যোৱা অসম মালাৰ পথ নিৰ্মাণৰ অগ্ৰগতিৰ সম্পৰ্কেও সবিশেষ বুজ লয়।

০০০০

ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলৰ ঝুমুৰ নৃতক বিশ্ববাসীৰ সৈতে পৰিচয় কৰি দিয়াৰ লক্ষ্যৰে অহা বছৰৰ ২৪ ফেব্ৰুৱৰীত **ঝুমুইৰ বিনন্দিনী** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি সৰুসজাই ষ্টেডিয়ামত উপস্থিত হৈ এই সন্দৰ্ভত বিভিন্ন ব্যক্তিৰ পৰা সবিশেষ বুজ লয়। এই কাৰ্যসূচীত বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাত হাজাৰ ৫০০ গৰাকী পুৰুষ-মহিলাই ঝুমুৰ নৃত্য পৰিৱেশন কৰিব।

০০০০

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ জিলাৰ ৬১২ গৰাকী মহিলা হিতাধিকাৰীক দেনা বিহীন প্ৰমাণপত্ৰ, ৯৮৬টা বানত ক্ষতিগ্ৰস্ত পৰিয়ালক আৰ্থিক সাহায্য আৰু ৬৮ গৰাকী হিতাধিকাৰীক ছিদ কেপিটেল প্ৰদান কৰা হয়। গুৱাহাটী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত গুৱাহাটীৰ মেয়ৰ মৃগেন শৰণীয়াৰ লগতে জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০

মৰিগাঁও উচ্চতৰ মাধ্যমিক খেলপথাৰত আজি ৰাজ্যৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত মৰিগাঁও বিধানসভা পৰ্যায়ৰ খেল মহাৰণৰ দ্বিতীয় আৰম্ভ হৈছে। দুদিনীয়াকৈ অনুষ্ঠিত এই খেল মহাৰণৰ আজি প্ৰথম দিনা এথলেটিকছ্, দবা, লং-জাম্প, কাবাদী, ফুটবল, ভলীবল আদি খেল অনুষ্ঠিত হয়। আজিৰ কাৰ্যসূচীত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত আজি প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ২০১ গৰাকী ছাত্ৰীক স্কুটী বিতৰণ কৰা হয়। ইয়াৰ উপৰি ১১১ গৰাকী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই বঁটা প্ৰদান কৰে।

০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে চৰাইদেউ জিলাতো আজিৰে পৰা ২৪ ডিচেম্বৰলৈ বিভিন্ন কাৰ্যসূচীৰে সু-শাসন সপ্তাহ ২০২৪ উদযাপন কৰা হ'ব। কাৰ্যসূচীৰ আজি প্ৰথমদিনা জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত এখন সজাগতা সভা অনুষ্ঠিত হয়।

০০০০

মৰিগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণ তথা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ সহযোগত আজি বানৰ সময়ত ল'বলগা সাৱধানতাৰ সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ৰ এটা অনুশীলন চলোৱা হয়। মৰিগাঁও আৰক্ষীৰ সংৰক্ষিত নিবেশৰ পৰা জিলা অসামৰিক চিকিৎসালয়লৈ এই অনুশীলন অনুষ্ঠিত হয়। অনুশীলত জিলা আয়ুক্ত দেৱাশিষ শৰ্মাৰ লগতে জিলাৰ বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০

ডিমা হাছাও জিলাৰ হাফলঙত আজি প্ৰাথমিক শিক্ষা বিভাগৰ অধীনত ৩৪০গৰাকী প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই এই নিযুক্তি পত্ৰসমূহ বিতৰণ কৰে। শ্ৰীগাৰ্লোছাই নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলক শিক্ষাৰ মান উন্নত কৰাত সহায় কৰিবলৈ নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়।

০০০০

সমাপ্ত